# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-10-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# **HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিলনাডুৰ চেন্নাইত ১৩ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব।

২। ভাৰতে দিল্লীৰ কালিৰ ঘটনাক্ৰম সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ উচ্চায়ুক্তৰ কাৰ্যালয়ৰ উদ্বেগ ভিত্তিহীন আৰু দেশৰ অভ্যন্তৰীণ বিষয়ত অৱাঞ্চিত হস্তক্ষেপ বুলি অভিহিত কৰিছে।

৩। প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনাই আজি এবছৰ সম্পূৰ্ণ কৰিছে।

৪। সমগ্ৰ দেশত দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে আজিৰে পৰা নৱৰাত্ৰি পালন কৰা হৈছে।

*আৰু*

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ইণ্ডোৰত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিলনাডুৰ চেন্নাইত ১৩ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে চেন্নাইত উপস্থিত হোৱাৰ পাছত প্ৰথমে প্ৰায় ৪ হাজাৰ ৯০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা চেন্নাই মেট্ৰ' ৰে'ল সেৱা মুকলি কৰিব। তেওঁ লগতে পোৰুৰ বাইপাছ ষ্টেচনৰ পৰা পুনমল্লী বাইপাছ ষ্টেচনলৈ মেট্ৰ'ৰে যাত্ৰা কৰিব। পুনমল্লী-পোৰুৰ কৰিডৰত ৩ হাজাৰ ৭০০ মিটাৰ দৈৰ্ঘ্যৰ ডাবল ডেকাৰ পৰিকাঠামো নিৰ্মাণ কৰা হৈছে। চালকবিহীন যাত্ৰা পৰিচালনা কৰাৰ বাবে এই পথছোৱা আধুনিক সংকেট প্ৰণালীৰে সু-সজ্জিত কৰি তোলা হৈছে। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৭৫০ কোটিৰো অধিক টকাৰে নিৰ্মাণ কৰা কেইটামান ৰে'ল আন্তঃগাঁথনি প্ৰকল্পও উদ্বোধন কৰিব। ইয়াৰ ভিতৰত অমৃত ষ্টেচন আঁচনিৰ অধীনত নৱৰূপত সজাই তোলা পলনি, ভেল্লʼৰ কেণ্টনমেণ্ট, অম্বাসমুদ্ৰম, পৰমকুড়ি আৰু নমক্কল অমৃত ষ্টেচন আছে। শ্ৰীমোদীয়ে পোৰুৰ হ্ৰদৰ সমীপত অৱস্থিত জলকণ্ঠেশ্বৰ মন্দিৰ দৰ্শন কৰিব।

০০০০০

ভাৰতে দিল্লীৰ কালিৰ ঘটনাক্ৰম সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ উচ্চায়ুক্তৰ কাৰ্যালয়- OHCHR ৰ উদ্বেগ ভিত্তিহীন আৰু দেশৰ অভ্যন্তৰীণ বিষয়ত অৱাঞ্চিত হস্তক্ষেপ বুলি অভিহিত কৰিছে। জেনেভাস্থিত ভাৰতীয় স্থায়ী মিছনে এটা বিবৃতি যোগে কয়, যে OHCHR-এ নিৰপেক্ষ আৰু কোনো ধৰণৰ ভেদ ভাৱ নকৰাকৈ অন্য

দেশত হোৱা ব্যাপক প্ৰতিবাদৰ ঘটনাক লৈ মনোযোগ দিয়া উচিত। বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰণৰ দেশ ভাৰতত সংবিধানৰ অধীনত শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ প্ৰদান কৰা হৈছে আৰু স্বতন্ত্ৰ ন্যায়পালিকা আৰু তথা সংবাদমাধ্যমৰ দৰে শক্তিশালী প্ৰতিষ্ঠানসমূহৰ এই অধিকাৰ সুৰক্ষিত কৰি আহিছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। বিবৃতিটোত লগতে প্ৰতিখন গণতান্ত্ৰিক দেশৰ দৰে ভাৰতীয় নাগৰিকে শান্তি শৃংখলাৰ স্বাৰ্থত যুক্তিসংগত প্ৰতিবন্ধকতা সাপেক্ষে এই অধিকাৰ প্ৰয়োগ কৰে বুলি কোৱা হৈছে। বিষয়াসকলে আইন অনুযায়ী কাম কৰে আৰু যিকোনো ওজৰ আপত্তি নিষ্পত্তিৰ বাবে ন্যায়ালয়ৰ দুৱাৰ সকলোৰে বাবে খোলা বুলি বিবৃতিটোত দৃঢ়ভাৱে উল্লেখ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনাই আজি এবছৰ সম্পূৰ্ণ কৰিছে। সমগ্ৰ দেশৰ ১০০ খন অভিলাসী কৃষি জিলাৰ কৃষি খণ্ড সুদৃঢ় কৰাৰ উদ্দেশ্যে যোৱা বছৰৰ আজিৰ দিনটোতে এই আঁচনিখন আৰম্ভ কৰা হৈছিল। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, জিলা ভিত্তিক কৃষি আৱশ্যকতা পূৰণ কৰাৰ উদ্দেশ্যে এই আঁচনিৰ জৰিয়তে ১১টা মন্ত্ৰালয় আৰু বিভাগৰ ৩৬ খন কেন্দ্ৰীয় আঁচনিক ৰাজ্য চৰকাৰৰ আঁচনিৰ সৈতে একত্ৰিত কৰা হৈছে আৰু ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ নিশ্চিত কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী সভা অনুমোদনৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰ ১১ অক্টোবৰত এই ছবছৰীয়া উদ্যমৰ শুভাৰম্ভ কৰিছিল। এই উদ্যমৰ অধীনত দেশৰ বিভিন্ন প্ৰান্তৰ ১০০ খন জিলাত জিলা কাৰ্য পৰিকল্পনা সূচক আধাৰিত নিৰীক্ষণ ব্যৱস্থা কাৰ্যকৰি কৰা হৈছে। জিলাভিত্তিক বিশেষ পদক্ষেপে তৃণমূল পৰ্যায়ত কৃষিখণ্ডৰ উন্নয়ণত অৰিহণা যোগাইছে। এই আঁচনিৰ জৰিয়তে কৃষি উৎপাদন বৃদ্ধি, জলসিঞ্চনৰ সুবিধা, ঋণৰ সহজলভ্যতা আৰু খেতি চপোৱাৰ পৰৱৰ্তী পৰ্যায়ৰ আন্তঃগাঁথনিৰ উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ ধন ধান্য আঁচনিৰ ক্ষেত্ৰত জিলা ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ৩ তৰপীয়া ৰূপায়ণ ব্যৱস্থাৰ দিহা কৰা হৈছে। স্থানীয় কৃষি আৱশ্যকতা অনুযায়ী জিলা কাৰ্য পৰিকল্পনাসমূহ যুগুত কৰা হয় আৰু ৩৬ খন কেন্দ্ৰীয় আঁচনিৰ ১২১টা সূচকৰ জৰিয়তে অগ্ৰগতিৰ পৰ্যবেক্ষণ কৰা হয়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰে কালি আডিছ আবাবাত আফ্ৰিকাস্থিত ভাৰতীয় মিছনৰ মুৰব্বীসকলৰ সন্মিলনত অধ্যক্ষতা কৰে। এই উপলক্ষে ডং জয়শংকৰে কয়, যে ভাৰত আৰু আফ্ৰিকাৰ মাজত গ্ল'বেল ছাউথ একতা, কৌশলগত স্বতন্ত্ৰতা, বহুমুখী আৰু উমৈহতীয়া উন্নয়ন আকাংক্ষাৰ ভিত্তিত গভীৰ সম্পৰ্ক গঢ় লৈ উঠিছে। ডং জয়শংকৰে ইথপিয়াৰ ৰাজধানী ভাৰত-আফ্ৰিকা সহযোগিতা সন্দৰ্ভত দৃষ্টিভংগী প্ৰকাশ কৰাৰ এদিন পাছতে আয়োজন কৰা এই সন্মিলন বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। শুকুৰবাৰে আডিছ আবাবাৰ আদৱা স্মাৰক সংগ্ৰহালয়ত ভাৰত-আফ্ৰিকাৰ মাজৰ সম্পৰ্ক সন্দৰ্ভত মতপ্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ভৱিষ্যতৰ সহযোগিতাই নিৰ্ভৰশীলতাৰ প্ৰসাৰৰ পৰিৱৰ্তে সামৰ্থ বৃদ্ধিত সহায় কৰা উচিত। তেওঁ লগতে আফ্ৰিকাৰ উচিত প্ৰতিনিধিত্বৰে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰ সাধনৰ বাবে আহ্বান জনায়।

০০০০০

সমগ্ৰ দেশত দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে আজিৰে পৰা নৱৰাত্ৰি পালন কৰা হৈছে। নৱৰাত্ৰিৰ সময়ত দেৱী দুৰ্গাক ৯টা ৰূপত  পূজা কৰা হয়। নৱৰাত্ৰিৰ  প্ৰথম দিনা মা দুৰ্গাক হিমালয়ৰ কন্যা শৈলপুত্ৰীৰ ৰূপত আৰাধনা কৰা হয়। দেৱী শৈলপুত্ৰী শক্তি, সুস্থিৰতা আৰু নতুন আৰম্ভণিৰ প্ৰতীক।

০০০০০

স্বাস্থ্য সচেতনতা, যুৱ সবলীকৰণ আৰু নিচামুক্ত ভাৰত গঠনৰ বাৰ্তাৰে আজি বাৰাণসীত 'ফিট ইণ্ডিয়া চাণ্ডেজ্ অন চাইকেল'ৰ ৯৪ সংখ্যক সংস্কৰণ অনুষ্ঠিত হয়। "বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ সমাজ" বিষয়বস্তুক লৈ পুৱা ৬ বজাৰ পৰা নমো ঘাটৰ পৰা সম্পূৰ্ণানন্দ সংস্কৃত বিশ্ববিদ্যালয়ৰ দীক্ষা মণ্ডপলৈ এই চাইকেল সমদলৰ আয়োজন কৰা হয়। যুৱ প্ৰজন্মৰ লগতে ক্ৰীড়াবিদ আৰু সাধাৰণ নাগৰিকক স্বাস্থ্যকৰ জীৱনশৈলী গ্ৰহণ আৰু নিচাজাতীয় দ্ৰব্যৰ পৰা আঁতৰি থাকিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে 'চাইক্লিং ফেডাৰেশ্যন অৱ ইণ্ডিয়া', 'ৰাহগিৰী ফাউণ্ডেশ্যন' আৰু 'মাই ভাৰত'ৰ সহযোগত এই কাৰ্যসূচীৰ আয়োজন কৰিছে। এই চাইকেল সমদল দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লগতে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ আঞ্চলিক কেন্দ্ৰসমূহতো একলগে অনুষ্ঠিত কৰা হয়।

০০০০০

শিক্ষা-মন্ত্ৰালয়ে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' কাৰ্যসূচীৰ অধীনত যুৱ প্ৰজন্মৰ মাজত ৰাষ্ট্ৰীয় সংহতি বৃদ্ধি আৰু সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাৰ উদ্দেশ্যে 'যুৱ সঙ্গম'ৰ সপ্তম পৰ্যায় আয়োজন কৰিছে। এই কাৰ্যসূচীৰ অংশস্বৰূপে, কৰ্ণাটক কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ নেতৃত্বত তেলেংগানাৰ এটা প্ৰতিনিধি দল যোৱা ৪ অক্টোবৰত গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান -আই আই টিত উপস্থিত হয়।

প্ৰতিনিধি দলটোৱে যোগাভ্যাস কাৰ্যসূচীৰে তেওঁলোকৰ ভ্ৰমণ আৰম্ভ কৰে। ভ্ৰমণকালত দলটোৱে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি মত-বিনিময়ো কৰে। এই সাক্ষাতে যুৱ প্ৰতিনিধিসকলক অসমৰ চহকী ঐতিহ্য, পৰম্পৰা আৰু সাংস্কৃতিক গুৰুত্ব অনুধাৱন কৰাত সহায় কৰে। লহতে এই আলোচনাই দেশজুৰি যুৱসমাজৰ মাজত পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় কৰাৰ গুৰুত্ব আৰু ভাৰতৰ বৈচিত্ৰ্যময় সাংস্কৃতিক পটভূমিৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগী অধিক সমৃদ্ধ কৰে।

এই কাৰ্যসূচীয়ে যুৱক-যুৱতীসকলক নিজ ৰাজ্যৰ বাহিৰলৈ গৈ দেশৰ বৈচিত্ৰ্য প্ৰত্যক্ষ কৰিবলৈ আৰু ভাৰতৰ উমৈহতীয়া সংস্কৃতিৰ সৈতে সংপৃক্ত হ'বলৈ অনুপ্ৰাণিত কৰিছে।

০০০০০

ৰাছিয়াৰ সৈতে চলি থকা সংঘাতৰ অন্ত পেলাব পৰাকৈ শান্তি আলোচনা চলোৱাত সক্ষম নতুন ৰাষ্ট্ৰপতি এজগৰাকী নিৰ্বাচন কৰিবলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইনক পৰামৰ্শ দিছে।

ইয়াৰ লগতে, ৰাছিয়াৰ তেল শোধনাগাৰসমূহক, বিশেষকৈ ডিজেল উৎপাদন কৰা কেন্দ্ৰসমূহক লক্ষ্য কৰি আক্ৰমণ নকৰিবলৈ তেওঁ ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ’ল’ডিমিৰ জেলেনস্কীক সতৰ্ক কৰি দিয়ে।

হোৱাইট হাউছ চৌহদত সংবাদ মাধ্যমৰ সৈতে হোৱা মত-বিনিময়ত ট্ৰাম্পে যুক্তি প্ৰদৰ্শন কৰে যে এনে আক্ৰমণৰ ফলত বিশ্ব বজাৰত ইন্ধনৰ যোগান ব্যাহত হ’ব পাৰে আৰু আমেৰিকাৰ কৃষক তথা পশুপালকসকল যথেষ্ট ক্ষতিগ্ৰস্ত হ’ব পাৰে। ৰাছিয়াই আমেৰিকা আৰু বিশ্ব বজাৰলৈ তৎক্ষণাৎ ৩ লাখ টনতকৈ অধিক ডিজেল ইন্ধন যোগান ধৰিব বুলি 'ট্ৰুথ ছ'চিয়েল'ত ঘোষণা কৰাৰ এদিন পাছতে ৰাষ্ট্ৰপতিগৰাকীয়ে এই মন্তব্য প্ৰকাশ কৰে। অহা মাহসমূহত ইন্ধনৰ অতিৰিক্ত চালান আহিব বুলিও আশা কৰা হৈছে।

ooooo

উত্তৰ ৰে’লৱেই আজিৰে পৰা সকলো ৰে’ল নিয়মীয়া সূচী অনুসৰি চলাচল কৰিব বুলি ঘোষণা কৰিছে। ৰে’লৱেই কালি পুৱা ৪ বজাৰ পৰা দিনৰ ২ বজাৰ ভিতৰত নতুন দিল্লী আৰু হজৰত নিজামুদ্দিন ষ্টেচন পোৱা মেইল আৰু এক্সপ্ৰেছ ৰে’লগাড়ীৰ যাত্ৰা বাতিল কৰাৰ সিদ্ধান্ত লৈছিল।

ooooo

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ইণ্ডোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ’ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ’ব।

ৱেষ্ট ইণ্ডিজে যোৱা শুকুৰবাৰে ৰাঁচীত অনুষ্ঠিত দ্বিতীয়খন খেলত  ভাৰতক ছয় উইকেটত পৰাস্ত কৰি শৃংখলাত ১-১ ফলাফলেৰে সমতা স্থাপন কৰে। খেলখনত ৱেষ্ট ইণ্ডিজে ১ অভাৰ তিনিটা বলত বাকী থকা অৱস্থাত ২৫০ ৰাণৰ বিজয় লক্ষ্য অতিক্ৰম কৰে। আলহী দলটোৰ অধিনায়ক ছাই হোপে ৪৫টা বলত ১০২ ৰান কৰাৰ লগতে ছাৰ্ফেন ৰাডাৰফ’ৰ্ডে ৮৪ ৰানৰ বৰঙণি আগবঢ়ায়। ছাই হোপক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooo

**সমাপ্ত**